৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) অসমীয়া লোকগীতৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা।

(খ) লোকগীতৰ সংজ্ঞাসহ ইয়াৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা।

(গ) 'বিহুগীত' আৰু 'বনগীত'ৰ সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ ফঁহিয়াই এটি আলোচনা যুগুত কৰা।

৫। 'বিহুগীত'ত প্ৰতিফলিত হোৱা প্ৰকৃতিৰ ছবি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১৪

অথবা

লোকনাট্যানুষ্ঠান বুলিলে কি বুজা? অসমীয়া লোকনাট্যানুষ্ঠান সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

★★★



**63/1 (SEM-3) CC5/ASMHC3056**

**2022**

( Held in 2023 )

ASSAMESE

Paper : ASMHC3056

**( Study on Assamese Folk Literature )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৬=৬

(ক) 'নিচুকনি গীত'ৰ অন্য এটা নাম হ'ল

*(i)* আইনাম

*(ii)* ধাইনাম

*(iii)* নাঙেলী গীত

*(iv)* ওপৰৰ এটাও নহয়

(খ) 'বায়খো' কোন জনগোষ্ঠীৰ উৎসৱ?

*(i)* বড়ো

*(ii)* মিচিং

*(iii)* ৰাভা

*(iv)* কাৰ্বি

(গ) গদ্যধৰ্মী লোককথাৰ এটি বিশেষ ৰূপ হ'ল

*(i)* সাধুকথা

*(ii)* বিয়ানাম

*(iii)* সাঁথৰ

*(iv)* প্ৰবাদ-প্ৰবচন

(ঘ) কিংবদন্তি বা জনশ্ৰুতিৰ আলমত গঢ় লোৱা মালিতাৰ এটি উদাহৰণ হ'ল

*(i)* দুবলা শান্তিৰ গীত

*(ii)* মণিকোঁৱৰৰ গীত

*(iii)* গৰখীয়া গীত

*(iv)* জয়ধন বনিয়াৰ গীত

(ঙ) 'অসমীয়া সাহিত্যৰ চানেকি' গ্ৰন্থখনৰ লিখক কোন?

*(i)* ডঃ সত্যেন্দ্ৰনাথ শৰ্মা

*(ii)* ডঃ মহেশ্বৰ নেওগ

*(iii)* পণ্ডিত হেমচন্দ্ৰ গোস্বামী

*(iv)* ডঃ লীলা গগৈ

(চ) বিষয়বস্তু আৰু ৰচনাৰীতিৰ ফালৰ পৰা অসমীয়া লোকসাহিত্যক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰা হৈছে?

*(i)* দুটা

*(ii)* তিনিটা

*(iii)* চাৰিটা

*(iv)* পাঁচটা





২। তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া : ২×৫=১০

(ক) গীতিসাহিত্যৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) ভক্তিমূলক লোকগীতৰ দুটা উদাহৰণ দিয়া।

(গ) অংকীয়া নাটকত প্ৰভাৱ পৰা যি কোনো দুটা থলুৱা নাট্যানুষ্ঠানৰ নাম উল্লেখ কৰা।

(ঘ) সাধুকথাৰ যি কোনো দুটা বৈশিষ্ট্য লিখা।

(ঙ) 'মহোহো গীত' কেতিয়া পৰিৱেশন কৰা হয়?

৩। তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো **ছয়টাৰ** উত্তৰ লিখা : ৫×৬=৩০

(ক) অসমীয়া ব্যৱহাৰিক সাহিত্য সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(খ) 'ওজাপালি' সম্পৰ্কত এটি চমু টোকা লিখা।

(গ) আখ্যানমূলক লোকগীত মানে কি, উদাহৰণসহ আলোচনা কৰা।

(ঘ) 'ডাকৰ বচন বেদৰ বাণী' কিয় কোৱা হয়, আলোচনা কৰা।

(ঙ) 'মহোহো গীত' সম্পৰ্কে এটি চমু আলোচনা আগবঢ়োৱা।

(চ) লোকসাহিত্যৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(ছ) প্ৰবাদ-প্ৰবচনৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(জ) 'জুনা গীত' সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঝ) গোৱালপৰীয়া লোকগীতত মৈষালৰ জীৱনৰ ছবি কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।